# 2022

# ASSAMESE

## ( Honours Elective )

### Paper : ASM–HE–5036

### ( শংকৰদেৱ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) শংকৰদেৱে অনুবাদ কৰা ভাগৱতৰ দশম স্কন্ধৰ প্ৰথম অংশখিনি অসমীয়া সমাজত কি নামেৰে প্ৰচলিত?

(খ) কোনগৰাকী ব্যক্তিয়ে শংকৰদেৱক শ্ৰীধৰ স্বামীৰ টীকাসম্বলিত 'ভাগৱত পুৰাণ'খন দিছিল?

(গ) ড০ বাণীকান্ত কাকতিয়ে বৰগীতক কি বুলি আখ্যা দিছিল?

(ঘ) শংকৰদেৱে 'ৰামায়ণ'ৰ কাহিনীৰ আধাৰত কোনটো বৰগীত ৰচনা কৰিছে?

(ঙ) “ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, সুৰৰ লাৱণ্য, ভাবৰ মাধুৰ্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শংকৰদেৱৰ কীৰ্তন ৰচিত।” এইষাৰ কাৰ উক্তি?

(চ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ৰ কাহিনীভাগ কোনে ধৰ্মপক্ষীৰ আগত বৰ্ণনা কৰিছে?

(ছ) ‘শিশুলীলা খণ্ড’ত উল্লেখ থকা অনুসৰি কৃষ্ণক মাক যশোদাই ক’ত বান্ধি থৈছিল?

(জ) ‘পাৰিজাত হৰণ’ নাটত নাৰদে কাৰ হাতত পাৰিজাত ফুলপাহ অৰ্পণ কৰিছে?

(ঝ) নান্দীশ্লোক কি?

(ঞ) ‘নিমি-নৱসিদ্ধ-সংবাদ’ কি বিষয়ক গ্ৰন্থ?

(ট) শংকৰদেৱে ৰচনা কৰা প্ৰথম বৰগীতটো কি?

(ঠ) শংকৰদেৱে কিমান বৰগীত ৰচনা কৰা বুলি চৰিত-পুথিত উল্লেখ আছে?

(ড) ‘গজেন্দ্ৰ উপাখ্যান’ত উল্লেখিত ত্ৰিকূট পৰ্বত কোন সাগৰৰ মাজত অৱস্থিত?





(ঢ) অংকীয়া নাটত প্ৰভাৱ থকা এটি বহিঃৰাজ্যৰ নাট্যানুষ্ঠানৰ নাম লিখা।

(ণ) কীৰ্তনৰ ‘গজেন্দ্ৰ উপাখ্যান’ৰ কাহিনীভাগ ভাগৱতৰ কোনটো স্কন্ধৰ অন্তৰ্গত?

(ত) ‘শাৰংগপাণি পাহে পামৰমতি...’ গীতাংশত উল্লেখ থকা পামৰ শব্দৰ অৰ্থ কি?

(থ) সত্যভামাৰ সখীয়েকৰ নাম কি আছিল?

(দ) শংকৰদেৱে হাতী মাৰি ভুকুকাত ভৰাই দেখুৱাবলৈ কোনখন গ্ৰন্থ ৰচনা কৰিছিল?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) বৈষ্ণৱ ধৰ্মৰ চাৰিপুথি কি কি?

(খ) শংকৰদেৱে ৰচনা কৰা ভটিমাক কেইটা ভাগত ভগোৱা হৈছে? সেই ভাগসমূহ কি কি?

(গ) ৰজা হৰিশ্চন্দ্ৰৰ স্বৰ্গযাত্ৰাৰ পাছত কোন দুগৰাকী মুনিৰ মাজত কাজিয়াৰ ঘটনা সংঘটিত হৈছে?

(ঘ) নৰকাসুৰৰ মাতৃ কোন আছিল? তেওঁ কাক লগত লৈ কৃষ্ণৰ ওচৰত উপস্থিত হৈছিল?

(ঙ) 'শাৰংগপাণি...' বৰগীতটো কি ৰাগত বন্ধা হৈছে? বিষ্ণুক শাৰংগপাণি বুলি কিয় কোৱা হয়?

(চ) শংকৰদেৱে ৰচনা কৰা দুখন নামপ্ৰসংগমূলক গ্ৰন্থৰ নাম উল্লেখ কৰা।

(ছ) "তল ওঁঠ মাটিত পাতিল।
উৰ্দ্ধ ওঁঠ মেঘত লাগিল॥"

এনেদৰে কোনগৰাকী অসুৰে, কি ছদ্মৰূপ ধাৰণ কৰি কৃষ্ণক মাৰিবলৈ অপেক্ষা কৰি আছিল?

(জ) তুমি কৰি আছা মহাযজ্ঞ ৰাজসূয়।
চিৰকাল স্বৰ্গত থাকিবা দেব হুই॥

কোনে, কাৰ আগত কৈছে?

(ঝ) অদিতি কোন? নৰকাসুৰে তেওঁৰ কি সামগ্ৰী চুৰি কৰি নিছিল?

(ঞ) "জৰা মৰণ মেৰি নিকটহি আয়া
কায়া পড়ত কেতি বেৰি।"

ইয়াত উল্লেখিত 'জৰা' আৰু 'বেৰি' শব্দৰ অৰ্থ লিখা।





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) শংকৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য বিচাৰ কৰা।

(খ) বৰগীতৰ এটি বিশেষত্ব বহলাই লিখা।

(গ) কৃষ্ণই কুবেৰৰ পুত্ৰক মুক্তি দিয়া ঘটনাংশ 'শিশুলীলা খণ্ড'ত কিদৰে বৰ্ণিত হৈছে, তোমাৰ ভাষাত লিখা।

(ঘ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যৰ অন্তৰ্গত শৈব্যা চৰিত্ৰটো বিশ্লেষণ কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটৰ ৰুক্মিণী আৰু সত্যভামা চৰিত্ৰ দুটিৰ তুলনামূলক আলোচনা আগবঢ়োৱা।

(চ) 'গজেন্দ্ৰ উপাখ্যান'ত নৈসৰ্গিক চিত্ৰ কিদৰে উদ্ভাসি উঠিছে, আলোচনা কৰা।

(ছ) "ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ
যৈচন গগন বিয়াপি।"

উক্ত গীতাংশ বুজাই লিখা।

(জ) 'পাৰিজাত হৰণ' নাটত হাস্যৰসৰ সঞ্চাৰ কিদৰে ঘটিছে, আলোচনা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) শংকৰদেৱৰ সাহিত্যৰাজিৰ এটি পৰিচয়মূলক আলোচনা দাঙি ধৰা।

(খ) অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(গ) বিষয়বস্তুৰ ভিত্তিত শংকৰদেৱৰ বৰগীতবোৰক কেইভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰে চমু পৰিচয় দি এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) 'শাৰংগপাণি' শীৰ্ষক বৰগীতটোৰ মূল কথাখিনি বিশ্লেষণ কৰি গীতটোৰ মাজত প্ৰকাশ পোৱা কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটৰ মূল আৰু মৌলিকতা সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(চ) " 'হৰিশ্চন্দ্ৰ উপাখ্যান' কবিৰ প্ৰথম কাব্যিক সৃষ্টি হ'লেও পৰিস্থিতি চিত্ৰণ, ৰস সৃষ্টি, চৰিত্ৰ অঙ্কন, অনুবাদ বৈশিষ্ট্য আদিবোৰৰ বেছিভাগেই ইয়াক কাব্যসুন্দৰীৰ সাজ পিন্ধোৱাত সহায়তা কৰিছে।" কথাষাৰ বিশ্লেষণ কৰা।

(ছ) 'কীৰ্তন ঘোষা'ৰ সাহিত্যিক সৌন্দৰ্যৰ বিষয়ে এটি বিশ্লেষণাত্মক প্ৰবন্ধ যুগুত কৰা।





(জ) 'বৰগীতৰ ভাষা' সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(ঝ) 'গজেন্দ্ৰ উপাখ্যান' খণ্ডৰ মাজেদি ভক্তিতত্ত্ব কিদৰে প্ৰকাশিত হৈছে, বিচাৰ কৰা।

(ঞ) 'শিশুলীলা খণ্ড'ত কৃষ্ণৰ লীলা আৰু ঐশ্বৰিকত্ব কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★